# 2022

## ASSAMESE

( Modern Indian Language )

Paper : ASM–CC–4016

**( Adhunik Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কবি হীৰেন ভট্টাচাৰ্যই কোনখন কবিতাপুথিৰ বাবে 'সাহিত্য অকাডেমী বঁটা' লাভ কৰিছিল ?

(খ) 'মৰ্মান্তিক' কবিতাটো কবিগৰাকীৰ কোনখন কবিতাপুথিৰ অন্তৰ্গত ?

(গ) ৰাম গগৈৰ কবিতাত কি আদৰ্শবাদৰ প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত হয় ?

(ঘ) অসমীয়া চুটিগল্পৰ জনক বুলি কাক কোৱা হয় ?

(ঙ) সৌৰভ কুমাৰ চলিহাৰ যি কোনো এখন গল্পপুথিৰ নাম লিখা।

(চ) ডℴ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পটো গল্পকাৰৰ কোনখন গল্পসংকলনৰ অন্তৰ্গত ?

(ছ) গল্পকাৰ অৰূপা পটঙ্গীয়া কলিতাৰ এখন উপন্যাসৰ নাম লিখা।

(জ) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদকৰ নাম লিখা।

(ঝ) 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' শীৰ্ষক গ্ৰন্থখনিৰ লেখক কোন?

(ঞ) 'মণিৰাম দেৱানৰ ফাঁচি' প্ৰবন্ধটি লেখকৰ কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(ট) কোন চনত মণিৰামক ফাঁচি দিয়া হৈছিল?

(ঠ) ডিম্বেশ্বৰ নেওগৰ কবিতাপুথি এখনৰ নাম লিখা।

(ড) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটকখনৰ নাম কি?

(ঢ) 'লভিতা' নাটকৰ বিষয়বস্তুৰ পটভূমি কি?

(ণ) 'লভিতা' নাটকৰ নায়িকা লভিতাক নিৰাশ্ৰয় অৱস্থাত আশ্ৰয়দান কৰা ইছলামধৰ্মী বৃদ্ধ চৰিত্ৰটোৰ নাম কি?

২। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) আধুনিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ড০ নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কবিতাপুথিৰ বাবে, কোন চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(গ) এডগাৰ এলেন পোৰে চুটিগল্প সন্দৰ্ভত আগবঢ়োৱা সংজ্ঞাটি দাঙি ধৰা।

(ঘ) আৱাহন যুগৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বেণুধৰ শৰ্মাই ৰচনা কৰা দুখন জীৱনীগ্ৰন্থৰ নাম লিখা।





(চ) ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ পৰা সহযোগ কৰাৰ অপৰাধত আছামী হোৱা প্ৰধান তথা প্ৰথম আৰু দ্বিতীয় আছামী কোন কোন আছিল, উল্লেখ কৰা।

(ছ) বনৰীয়া গীত মানে কি?

(জ) 'লভিতা' নাটকৰ দুটা পুৰুষ চৰিত্ৰৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) আধুনিক অসমীয়া কবিতালৈ হীৰেন ভট্টাচাৰ্যই আগবঢ়োৱা অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) 'পথাৰ' কবিতাৰ মাজত মাৰ্ক্সীয় দৰ্শন কিদৰে প্ৰত্যক্ষ কৰা যায়, আলোচনা কৰা।

(গ) ৰামধেনু যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যবোৰ দাঙি ধৰা।

(ঘ) ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পত দাৰিদ্ৰ্যপীড়িত জীৱনৰ ছবি কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(ঙ) 'বীণাকুটীৰ' গল্পৰ মাজত নাগৰিক জীৱনৰ কেনে প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে, বৰ্ণনা কৰা।

(চ) 'মণিৰাম দেৱানৰ ফাঁচি' শীৰ্ষক প্ৰবন্ধত মণিৰাম দেৱানক ক'ত, কিদৰে ফাঁচি দিয়া হৈছিল, বৰ্ণনা কৰা।

(ছ) বনঘোষা বা বনৰীয়া গীতৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা।

(জ) 'লভিতা' নাটকত সন্নিৱিষ্ট গীতসমূহৰ প্ৰাসঙ্গিকতা সম্বন্ধে আলোচনা কৰা।

৪। উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) ড০ নিৰ্মলপ্ৰভা বৰদলৈৰ কাব্য পৰিক্ৰমা উল্লেখ কৰি 'মৰ্মান্তিক' কবিতাটিৰ মাজত কৃষিজীৱী জীৱনৰ ছবি কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(খ) ৰাম গগৈক অসমীয়া প্ৰগতিশীল কবিতাৰ এগৰাকী অন্যতম বাটকটীয়া হিচাপে 'পথাৰ' কবিতাৰ আধাৰত বিচাৰ কৰা।

(গ) অসমীয়া সাহিত্যলৈ ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ অৱদানৰ উল্লেখ কৰি 'বানপ্ৰস্থ' গল্পৰ মূল বিষয়বস্তুৰ এক পৰিচয় দাঙি ধৰা।

(ঘ) অৰূপা পটঙ্গীয়া কলিতাৰ 'দেওপাহাৰৰ ভগ্নস্তূপ' শীৰ্ষক গল্পত দুৰ্দশাগ্ৰস্ত আৰু দুখ-বেদনাৰে প্ৰপীড়িত লোকৰ ছবি দেওপাহাৰত কিদৰে খোদিত হৈ আছে, আলোচনা কৰা।

(ঙ) মণিৰাম দেৱানৰ বিচাৰ প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰি ফাঁচিৰ দিনাখন যোৰহাটত সমবেত হোৱা মানুহ আৰু প্ৰকৃতিৰ অৱস্থা কেনে হৈছিল, বৰ্ণনা কৰা।

(চ) লোকগীত বুলিলে কি বুজা? বনগীত বা বনঘোষাৰ মূল বিষয়বস্তু সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(ছ) স্বাধীনোত্তৰ কালৰ অসমীয়া চুটিগল্পৰ গতি-প্ৰগতি সম্বন্ধে এটি আলোচনা দাঙি ধৰা।

(জ) বেণুধৰ শৰ্মাৰ সাহিত্যকৃতি উল্লেখ কৰি তেওঁৰ গদ্যৰীতি সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(ঝ) 'অসমীয়া নাট্য সাহিত্যলৈ জ্যোতিপ্ৰসাদৰ অৱদান' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ঞ) 'লভিতা' নাটকৰ মাজেৰে '৪২ৰ গণআন্দোলনৰ সময়ৰ অসমীয়া সমাজৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ প্ৰতিচ্ছবি কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★